# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-01-2025
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ৰাজ্য চৰকাৰে উমৰাংছ’ৰ তিন কিল’ কয়লাখনিত সংঘটিত দুৰ্ঘটনা সন্দৰ্ভত তদন্ত কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত এখন ন্যায়িক তদন্ত আয়োগ গঠন কৰিব। মৰিগাঁৱত আজি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে কয়, যে কয়লাখনিত নিহত ৪ জন শ্ৰমিকৰ নিকটাত্মীয়লৈ ১০ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ’ব। সম্ভেদ নোপোৱা আন ৫ জন শ্ৰমিকৰ পৰিয়াললৈও ১০ লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰা হ’ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যত ৰেট হোল খননৰ সন্দৰ্ভত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপৰ বাবে নিৰ্দেশনা যুগুত কৰা হ’ব। ইপিনে ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত মৰিগাঁও জিলাৰ উন্নয়নৰ বাবে বহুকেইটা প্ৰকল্পত অনুমোদন জনোৱা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মৰিগাঁও জিলাৰ উন্নয়ন আৰু বিকাশৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত ২৯২ কোটি টকাৰ প্ৰকল্পৰ অনুমোদন জনায়। জোনবিল মেলাৰ স্থানত মঞ্চ নিৰ্মাণৰ বাবে ৫ কোটি টকা, মৰিগাঁৱৰ নতুন আৱৰ্ত ভৱন নিৰ্মাণৰ বাবে ১৫ কোটি টকা, তিৱা সাহিত্য সভা ভৱন নিৰ্মাণৰ বাবে ১ কোটি টকা আগবঢ়াবলৈ আজিৰ বৈঠকত সিদ্ধান্ত লোৱা হয়। জিলাখনৰ শতবৰ্ষ গৰকা ৯ খন বিদ্যালয়ৰ উন্নয়নৰ বাবে ৮ কোটি টকাকৈ আগবঢ়াবলৈও আজিৰ বৈঠকত সিদ্ধান্ত লোৱা হয়। বৈঠকত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ২ হাজাৰ কোটি টকাৰ অনুমোদন জনায়। এই আঁচনিৰ অধীনত মহিলাসকলক তিনিটা পৰ্যায়ত ঋণ আৰু ৰাজ সাহায্য প্ৰদান কৰা হ’ব। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ অধীনত ৭৫ হাজাৰ যুৱক-যুৱতীলৈ ৰাজ সাহায্যযুক্ত ঋণ প্ৰদান কৰা হ’ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আজিৰ কেবিনেটে বিটিআৰৰ উন্নয়নৰ বাবে ৪০১ কোটি টকাৰ পুঁজিত অনুমোদন জনায়। অংগনৱাড়ী কেন্দ্ৰৰ সঠিক কাৰ্যকৰীকৰণৰ বাবে অংগনৱাড়ী কেন্দ্ৰ ব্যৱস্থাপনা সমিতি গঠনৰ নিৰ্দেশনাতো আজিৰ মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন জনায়।

০০০০০

গোলাঘাট জিলাৰ বোকাখাটৰ বালিজান নতুন গাওঁৰ বানেশ্বৰ মহন্ত সমন্বয় ক্ষেত্ৰত কাইলৈৰ পৰা ৫ দিনীয়াকৈ অসম বৈদিক বৈষ্ণৱ মহাসভাৰ চতুৰ্দশ দ্বিবাৰ্ষিক ৰাজ্যিক অধিবেশনৰ আয়োজন কৰা হৈছে। কৃষিমন্ত্ৰী তথা অধিবেশন উদ্‌যাপন সমিতিৰ সভাপতি অতুল বৰাই কালি এই অধিবেশনৰ প্ৰস্তুতি পৰ্যালোচনা কৰে। তেওঁ এই কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলোকে সহযোগিতাৰে কাম কৰিবলৈ আহ্বান জনায়। এই অধিবেশনৰ অংশ হিচাপে যুৱ আৰু মহিলা সমাৰোহ, নাম সমাৰোহ, মুকলি সভা, শিশু আৰু চেমনীয়াৰ মাজত বৰগীত, সত্ৰীয়া নৃত্য, জ্যোতি সংগীত, বক্তৃতা প্ৰতিযোগিতাকে ধৰি কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হ’ব।

একেদৰে জিলাখনৰ মৰঙিৰ পুষ্পবিলাস বৈকুণ্ঠ ক্ষেত্ৰত কাইলৈৰ পৰা ৩ ফেব্ৰুৱাৰীলৈ সদৌ অসম শিশু ভাওনা আৰু মুকলি শাখাৰ ভাওনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত শ্ৰদ্ধা জনাই কাইলৈ ৰাজ্যজুৰি শিল্পী দিৱস উদ্‌যাপনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা প্ৰশাসনৰ সহযোগত গোলাঘাটত দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। এই অনুষ্ঠানতে বিশিষ্ট সংগীত শিল্পী ডঃ অনিমা চৌধুৰী আৰু মুকুল ৰাভাক চলিত বছৰৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। বিগত বৰ্ষৰ সন্মানীয় নটসূৰ্য্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ, সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা প্ৰবীন অভিনেত্ৰী হীৰা নেওগলৈ আৰু জননেতা ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী  জলেশ্বৰ ব্ৰহ্মালৈ আগবঢ়োৱা হব। এই অনুষ্ঠানত বিত্ত, মহিলা আৰু শিশু কল্যান মন্ত্ৰী অজন্তা নেওগ, কৃষি মন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যা প্ৰসাদ তাচাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

একেদৰে, সদৌ অসম ছাত্ৰ সন্থাই হোজাই জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কাকী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আজিৰে পৰা দুদিনীয়াকৈ হোজাইত কেন্দ্ৰীয়ভাৱে শিল্পী দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটা আৱক্ষ প্ৰতিমুৰ্তি উন্মোচন কৰা হয়। অনুষ্ঠানৰ  অংশ হিচাপে জিলাভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা, সদৌ অসম ভিত্তিক মুকলি কুইজ আৰু জ্যোতি সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। নিশাৰ ভাগত নাট্যানুষ্ঠানত ৰূপকোঁৱৰৰ কালজয়ী নাট ৰূপালীম পৰিবেশন কৰা হ'ব। কাইলৈৰ অনুষ্ঠানত কেইবাগৰাকীও শিল্পীক সম্বৰ্ধনা জনোৱাৰ উপৰি মুকলি সভা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

যোৰহাট নগৰৰ ন-আলিত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত ৭ জন লোক আহত হৈছে। আমাৰ সংবাদাদাতাই জানিবলৈ দিয়া অনুসৰি ন-আলি পথৰ টাই মন্দিৰ ঢেকীয়াজুলিৰ সমীপত দুখন বাহনৰ মাজত সংঘৰ্ষৰ ফলত এখন বাহনত থকা ৭ জন যাত্ৰী আহত হয়। আহতসকলৰ দুজনক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। আন ৫ জন যাত্ৰীক প্ৰাথমিক চিকিৎসা প্ৰদানৰ পাছত ঘৰলৈ যাবলৈ দিয়া হয়।

০০০০০

চিংফৌ সমাজৰ মুৰব্বী তিনিচুকীয়া জিলাৰ লিডু বিছাগাঁও নিবাসী বিছাৰজা বিছানং চিংফৌৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে। বিছাৰজা বিছানং চিংফৌৰ মৃত্যু চিংফৌ জনগোষ্ঠীৰ লগতে অসমবাসীৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে চিংফৌ জনগোষ্ঠীৰ বাবে বিছানং চিংফৌৰে আগবঢ়োৱা অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে। উল্লেখযোগ্য যে কালি নিশা বিছানং চিংফৌৰ ৭৬ বছৰ বয়সত বিছাগাঁৱৰ নিজা বাসগৃহত মৃত্যু হয়।

০০০০০

সমাপ্ত